**Assamese Department, Nonoi College.**
**Opening Ceremony of *RATIR BANHI* Audio album /2020**
**Composed by Dr. Basanta Bora, Assistant Professor**

**নৈ মহাবিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহত অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাৰ "ৰাতিৰ বাঁহী" শীৰ্ষক গীতৰ শ্ৰব্য সঁফুৰা মুকলি**
**৮ ফেব্ৰুৱাৰী,২০২০**

নৈ অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান নৈ মহাবিদ্যালয়ত ৮ ফেব্ৰুৱাৰী,২০২০ তাৰিখে ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰীতা শৰ্মাৰ সভাপতিত্বত প্ৰথম বাৰৰ বাবে প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহ আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড০ বসন্ত বৰাৰ "ৰাতিৰ বাঁহী" শীৰ্ষক গীতৰ শ্ৰব্য সঁফুৰা মুকলি কৰা হয় । নৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ উদ্যোগত অনুষ্ঠিত হোৱা সন্মিলখনিত বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সুৰজিৎ কুমাৰ ভাগৱতীয়ে নৈ মহাবিদ্যালয়ৰ উন্নতিত প্ৰাক্তন শিক্ষাৰ্থী সকলৰ অংশগ্ৰহণে মহত্ত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰে । লগতে তেওঁ ড০ বসন্ত বৰাৰ "ৰাতিৰ বাঁহী" শীৰ্ষক গীতৰ শ্ৰব্য সঁফুৰাটি মুকলি কৰি কয় যে আজিকালি ৰাতিৰ বাঁহীৰ সুৰৰ মাদকতা গাঁওবোৰত শুনিবলৈ পোৱা নাযায় । কিন্তু অধ্যাপক ড০ বসন্ত বৰাৰ গীতৰ সঁফুৰাটিয়ে হেৰাই যাব ধৰা সেই সুৰীয়া সুবাস শ্ৰোতা-দৰ্শকক দিবলৈ সক্ষম হ'ব । তেখেতৰ কথা আৰু কন্ঠ , প্ৰতুল বৰাৰ সুৰ আৰু ৰঞ্জীৱ দাসৰ সংগীতেৰে সজাই তোলা 'সৰিপৰা শুকান এটি পাতে' আৰু 'পুৱাৰ কোমল ৰ'দালিয়ে' গীত দুটি অসমৰ ৰাইজে আদৰি ল'ব । প্ৰাক্তন শিক্ষাৰ্থীসকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ন কৰা অনুষ্ঠানটিত বিশিষ্ট সংগীত শিল্পী লুনা ভৰালী, দিব্যজ্যোতি শইকীয়া, জয়ন্ত নাথ প্ৰমুখ্যে নৈ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ অংশগ্ৰহণে সোণত সুৰগা চৰায় ।

## Assamese Department, Nonoi College.

**Opening Ceremony of *RATIR BANHI* Audio album / 8th February,2020**
**Composed by Dr. Basanta Bora, Assistant Professor**

## Photographs:




**Opening Ceremony**



**Inauguration of *RATIR BANHI* Audio Album**